**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***----------------------***

১। অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আজি আৰম্ভ। নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ।

২। উন্নত বান ব্যৱস্থাপনাৰ বাবে নদীসমূহৰ জলস্তৰ নিৰ্ধাৰণ কৰা আগতীয়া পদ্ধতি উন্নত কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা চলাবলৈ কেন্দ্ৰীয় জল আয়োগক কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশ।

৩। পৰীক্ষা ব্যৱস্থাত স্বচ্ছতা ৰক্ষা কৰাটো নিশ্চিত কৰাৰ লগতে পৰীক্ষাসমূহ নিয়াৰিকৈ পৰিচালনাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এলানি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ।

৪। অম্বুবাচী মেলাৰ আজি তৃতীয়টো দিন। এই উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত দেশী-বিদেশী ভক্তৰ ভিৰ।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আজি আৰম্ভ হ'ব। অধিৱেশনত নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱা হ'ব। সংসদৰ অস্থায়ী অধ্যক্ষ হিচাপে নিয়োজিত, জ্যেষ্ঠ বিজেপি সাংসদ ভর্তৃহৰি মহতাবে নৱ-নিৰ্বাচিত লোকসভাৰ সদস্যসকলক শপত বাক্য পাঠ কৰোৱাব। আনহাতে অহা বুধবাৰে লোকসভাৰ নতুন অধ্যক্ষগৰাকীৰ নিৰ্বাচন হোৱাৰ বিপৰীতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বৃহস্পতিবাৰে দুয়োখন সদনৰ যুটীয়া অধিৱেশন সম্বোধন কৰিব। উল্লেখযোগ্য যে, ৰাজ্যসভাৰ অধিৱেশন বৃহস্পতিবাৰে আৰম্ভ হ'ব। অহা ৩ জুলাইত সংসদৰ অধিৱেশনৰ সামৰণি পৰিব।

লোকসভা অধিৱেশনৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে অস্থায়ী অধ্যক্ষ ভর্তৃহৰি মহতাবক শপত বাক্য পাঠ কৰোৱাব। অধিৱেশনৰ আৰম্ভণিতে শ্ৰী মহতাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সদনৰ সদস্য হিচাপে শপত গ্ৰহণ কৰিবলৈ আহ্বান জনাব। উল্লেখযোগ্য যে, নীট আৰু অন্যান্য কিছু পৰীক্ষাৰ বিতৰ্ক অব্যাহত থকাৰ মাজতে এই অধিৱেশন আৰম্ভ হ'ব। নতুন লোকসভাৰ এয়া প্ৰথমখন অধিৱেশন যদিও পৰীক্ষাৰ বিষয়টো লৈ বিৰোধী পক্ষই সংসদত বিতৰ্ক কৰাৰ সম্ভাৱনা আছে। ইপিনে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সংসদৰ সকলো নৱ-নিৰ্বাচিত সদস্যক স্বাগতম জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী ৰিজিজুৱে সদস্যসকলৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ কথা নিশ্চিত কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে উন্নত বান ব্যৱস্থাপনাৰ বাবে নদীসমূহৰ জলস্তৰ নিৰ্ধাৰণ কৰা আগতীয়া পদ্ধতি উন্নত কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা চলাবলৈ ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু কেন্দ্ৰীয় জল আয়োগক নিৰ্দেশ দিছে। নতুন দিল্লীত কালি দেশৰ বান পৰিস্থিতিৰ জোখ মৰাৰ প্ৰস্তুতিৰ সন্দৰ্ভত এখন উচ্চ

পৰ্যায়ৰ বৈঠকত মিলিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশত বান পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে এটা উমৈহতীয়া আৰু সুদূৰ প্ৰসাৰী নীতি যুগুত কৰাৰ ক্ষেত্ৰত দীৰ্ঘ দিনৰে পৰা গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰে। শ্ৰী শ্বাহে বজ্ৰপাতৰ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰিবলৈ এছ এম এছ, টি ভি, এফ এম ৰেডিঅ' আৰু অন্যান্য মাধ্যমত সতৰ্কতা জাৰি কৰাৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে বিভিন্ন বিভাগক বতৰ, বৰষুণ তথা বান সতৰ্কবাণী সম্পৰ্কীয় এপসমূহ বিকশাই তোলাৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে। শ্ৰীশ্বাহে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ দুৰ্যোগ ব্যৱস্থাপনা খণ্ডই কোনো ধৰণৰ বাধা নোহোৱাকৈ বিশেষ অগ্ৰগতি লাভ কৰিছে। তেওঁ লগতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু কেন্দ্ৰীয় জল আয়োগক আগতীয়াকৈ বানৰ সন্দৰ্ভত অৱগত হোৱাৰ বাবে সকলো ধৰণৰ সঁজুলি পুনৰ মানাংকন কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে সকলো বৃহৎ বান্ধৰ গেটসমূহ ভাল অৱস্থাত থকাটো সুনিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়ে। তদুপৰি তেওঁ কেন্দ্ৰীয় জল আয়োগৰ বান নিৰীক্ষণ কেন্দ্ৰসমূহ দেশৰ প্ৰয়োজন তথা আন্তঃৰাষ্ট্ৰীয় মান অনুসৰি হোৱা উচিত বুলি উল্লেখ কৰে।

শ্ৰীশ্বাহে লগতে হঠাতে হিমবাহ হ্ৰদৰ বিস্ফোৰণ হোৱাৰ ফলত সৃষ্টি হোৱা বানপানীৰ সৈতে মোকাবিলা কৰাৰ প্ৰস্তুতিৰো পৰ্যালোচনা কৰে। তেওঁ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাক বান আৰু জল ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিভিন্ন সংস্থাসমূহে যোগান ধৰা উপগ্ৰহৰ প্ৰতিছবিৰ সহায়ত এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীশ্বাহে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ লগতে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰালয়ক বনজুই প্ৰতিহত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ নিয়মীয়াকৈ শুকান পাত আঁতৰ কৰা, জুই জ্বলোৱাৰ বাবে নিৰ্দিষ্ট শাৰী ঠিক কৰাৰ লগতে সময়ে সময়ে স্থানীয় বাসীন্দা আৰু বন বিভাগৰ লোকৰ সৈতে ম'ক ড্ৰীল অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। কালিৰ বৈঠকত জল শক্তি মন্ত্ৰী চি আৰ পাটিল, গৃহ বিভাগৰ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, কেন্দ্ৰীয় গৃহ সচিবকে ধৰি বিভিন্ন মন্ত্ৰালয়ৰ সচিব আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ স্থায়ী সমাধানৰ বাবে ৫০টা বৃহৎ পুখুৰী খান্দি ব্ৰহ্মপুত্ৰৰ পানী বোৱাই নি বান সমস্যা নিয়ন্ত্ৰণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। ৰাজ্যৰ শেহতীয়া বানত ২৯ জন লোকৰ মৃত্যু হোৱাক লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উদ্বিগ্নতা প্ৰকাশ কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে পৰীক্ষা ব্যৱস্থাত স্বচ্ছতা ৰক্ষা কৰাটো নিশ্চিত কৰাৰ লগতে পৰীক্ষাসমূহ নিয়াৰিকৈ পৰিচালনাৰ বাবে এলানি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। পৰীক্ষাসমূহত যিকোনো ধৰণৰ অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে এনে ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে। তদুপৰি পৰীক্ষা ব্যৱস্থাত হ'ব পৰা যিকোনো ত্ৰুটি দূৰ কৰাৰ বাবেও এনে ব্যৱস্থাসমূহ লোৱা হৈছে। ইয়াৰ অধীনত প্ৰথমবাৰৰ বাবে নিযুক্তি পৰীক্ষাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰিবলৈ ৰাষ্ট্ৰীয় আইন প্ৰণয়নৰ দিহা কৰা হৈছে। কেন্দ্ৰীয় লোকসেৱা আয়োগ, কৰ্মচাৰী চয়ন আয়োগ, ৰেলৱে নিযুক্তি বোৰ্ড, বেংকৰ কৰ্মচাৰী নিযুক্তি প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা, এন টি এৰ দ্বাৰা আয়োজিত সকলো পৰীক্ষাত স্বচ্ছতা ৰক্ষাৰ ক্ষেত্ৰত এই আইন প্ৰযোজ্য হ'ব। তদুপৰি শিক্ষা মন্ত্ৰালয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ প্ৰাক্তন অধ্যক্ষ ড০ কে ৰাধাকৃষ্ণনৰ নেতৃত্বত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি পৰীক্ষা ব্যৱস্থা স্বচ্ছভাৱে পৰিচালনা কৰাটো নিৰীক্ষণৰ ব্যৱস্থা কৰিছে। ইপিনে, চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষাসমূহৰ ক্ষেত্ৰত ইতিমধ্যে অভিযোগ উত্থাপিত বিষয়সমূহ উচ্চতম ন্যায়ালয়ৰ বিবেচনাত আছে আৰু শিক্ষা মন্ত্ৰালয়ে এই বিষয়টো চিবিআইক অৰ্পণ কৰিছে।

০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে নীট ইউ জি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰি তদন্ত আৰম্ভ কৰিছে। চি বি আইৰ সূত্ৰ অনুসৰি শিক্ষা মন্ত্ৰালয়ৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালকে দিয়া অভিযোগৰ ভিত্তিত এই এজাহাৰ দাখিল কৰা হৈছে। চি বি আইয়ে সমগ্ৰ দেশতে এই বিষয়টোৰ এটা পুংখানুপুংখ তদন্ত আৰু এই বৃহৎ ষড়যন্ত্ৰৰ সবিশেষ উন্মোচন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এই বিষয়টোৰ তদন্তৰ বাবে চি বি আইয়ে কেইবাটাও বিশেষ দল গঠন কৰিছে। চি বি আইৰ বিশেষ দলসমূহক পাটনা আৰু গোধ্ৰালৈ প্ৰেৰণ কৰা হৈছে। তদন্তকাৰী সংস্থাটোৱে গুজৰাট আৰু বিহাৰৰ পৰা কেইবাজনো নীট পৰীক্ষা কেলেংকাৰিত জড়িত সন্দেহজনক লোকক গ্ৰেপ্তাৰ কৰি তদন্ত আৰম্ভ কৰিছে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই যোৱা ৫ মে'ত নীট ইউ জিৰ পৰীক্ষা অনুষ্ঠিত কৰিছিল। সমগ্ৰ দেশতে এই পৰীক্ষাত বিভিন্ন ধৰণৰ খেলিমেলিৰ তথ্য লাভ কৰা হৈছিল।

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠক অহা ২৬ জুনত নলবাৰীত অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ বাহিৰত হ'বলগীয়া চতুৰ্দশ মন্ত্ৰীসভাৰ বৈঠকৰ বাবে নলবাৰী জিলা প্ৰশাসনে ইতিমধ্যে প্ৰস্তুতি চলাইছে। এই উদ্দেশ্যে কালি কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ত এখন প্ৰস্তুতি বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত জিলা প্ৰশাসন আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকলৰ সৈতে কেবিনেট বৈঠক সন্দৰ্ভত যাৱতীয় পৰিকল্পনা গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা বিভিন্ন জিলাত পৰ্যায়ক্ৰমে মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত কৰি অহা হৈছে। তদুপৰি নতুন দিল্লীতো ৰাজ্যিক মন্ত্ৰীসভাৰ তিনিখনকৈ বৈঠক অনুষ্ঠিত কৰা হৈছে।

০০০০০০

অম্বুবাচী মেলা উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত দেশী-বিদেশী ভক্তৰ ভিৰ অব্যাহত আছে। অম্বুবাচী মেলাৰ আজি তৃতীয় দিনাও বিভিন্ন বেশ-ভূষাৰ সাধু, সন্ন্যাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। কামাখ্যা মন্দিৰৰ দলৈ কবিন্দ প্ৰসাদ শৰ্মাই সংবাদ মাধ্যমক জনোৱা অনুসৰি কালি বন্ধৰ দিন হোৱা বাবে ভক্তৰ সংখ্যা তুলনামূলকভাৱে বৃদ্ধি হয়। অম্বুবাচী মেলা পৰিচালনা সমিতি আৰু আৰক্ষী প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়মসমূহ সকলোকে মানি চলিবলৈ তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে পৰহিলৈ দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে অহা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা ৰখা হোৱা নাই। একেদৰে ২৬ আৰু ২৭ জুনত বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। অম্বুবাচী মেলাৰ বাবে প্ৰশাসনে কাইলৈ মাজ নিশালৈ গাড়ী-মটৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যান বাহন শাখাৰ উপায়ুক্তই জনোৱা মতে কেইবাটাও পথত যানবাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তীৰ্থযাত্ৰী, ভক্ত, দিব্যাংগসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ লগতে জৰুৰীকালীন সেৱাৰে জড়িত যান-বাহনৰ চলাচল সুচল কৰাৰ বাবে এই বাধা আৰোপ কৰা হৈছে। ইপিনে, ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিছে। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা

কটকটীয়া কৰি তুলিছে। ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে।

০০০০০০

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১১খন জিলাৰ ৮১০খন গাঁৱৰ বিভিন্ন অঞ্চল বানৰ কবলত আছে। আনহাতে, বানৰ ফলত ২ লাখৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। এই বানত ৪ হাজাৰ ২৭৪ হেক্টৰো অধিক কৃষিভূমি প্লাৱিত হৈ আছে। আনহাতে, ১২ হাজাৰৰো অধিক লোকে আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰি আছে। শেহতীয়া বানত ৰাজ্যখনত ১৭ হাজাৰৰো অধিক পশুধনৰ ক্ষতি হৈছে। ইফালে, কুশিয়াৰা নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰত আছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই  খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

চিৰাঙৰ বিজনী মহাবিদ্যালয়ত কালি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ পদ্মশ্ৰী ড০ শীলা বৰঠাকুৰৰ চতুৰ্থ মৃত্যু বাৰ্ষিকী আৰু নৃত্য-শিল্পী ষড়ানন বৰঠাকুৰৰ সোঁৱৰণী সু-সংগঠক বঁটা প্ৰদান অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচন কৰা হয়। মাজুলী জিলা লখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মিনতি শইকীয়া আৰু অবিভক্ত শোণিতপুৰ জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ৰুমা দেৱীলৈ ২০২৪ বৰ্ষৰ সু-সংগঠক বঁটা প্ৰদান কৰে। অনুষ্ঠানত  প্ৰাক্তন সাংসদ তথা অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে লেখিকা সমাৰোহৰ মুখপাত্ৰ **লেখিকা** উন্মোচন কৰে। লগতে **আই দুলানী** স্মৃতিগ্ৰন্থ আৰু কেইবাটাও গ্ৰন্থৰ উন্মোচন কৰে।

০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে ছুপাৰ এইট পৰ্যায়ত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেণ্ট লুছিয়াৰ ডাৰেন ছাম্মী নেচনেল ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ'ব।

ছুপাৰ এইট পৰ্যায়ত ভাৰতে ইতিমধ্যে আফগানিস্তান আৰু বাংলাদেশক পৰাজিত কৰিছে। আজিৰ তৃতীয় খেলখনত জয়লাভ কৰিলে ভাৰতে কেৱল গ্ৰুপৰ শীৰ্ষত থকাই নহয়, বৰং ছেমিফাইনেলত প্ৰৱেশ কৰিব।

ইপিনে এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ্ ষ্টেডিয়ামত দক্ষিণ আফ্রিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে ব্যাহত হৈছে। দক্ষিণ আফ্রিকাই দুই অভাৰত দুটা উইকেট হেৰুৱাই ১৫ ৰান কৰি খেলি থকাৰ সময়তে বৰষুণৰ বাবে খেলখন বন্ধ ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্রিকাক জয়ৰ ১৩৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০

আজি প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহ ভিতৰত দৈনিক অসম কাকতে নতুন শক্তিৰে সদন কঁপাবলৈ সাজু বিজেপি, অসমীয়া প্ৰতিদিন কাকতে অসম সন্তান ধ্ৰুৱ বৰঠাকুৰৰ ৰকছেট ৯০৫ কোটিত বিক্ৰী শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। ডাৱৰ বিস্ফোৰণত তচনচ ইটানগৰ, বান ৰুধিবলৈ ৫০ টা ডাঙৰ পুখুৰী, অসমৰ চাহৰ সেউজ পাতত চীনৰ লীফ নেক্ৰ'ছিছ শিৰোনামেৰে ক্ৰমে দৈনিক জনমভূমি, অসমীয়া খবৰ আৰু নিয়মীয়া বাৰ্তা কাকতে মুখ্যবাতৰি প্ৰকাশ কৰিছে। নীট আৰু নেট কেলেংকাৰী সন্দৰ্ভত চি বি আইৰ তদন্ত আৰম্ভ হোৱাৰ বাতৰি দৈনিক অগ্ৰদূত আৰু আমাৰ অসম কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। এই বাতৰিটোকে দি আছাম ট্ৰিবিউন আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। এসপ্তাহত ১৫ টকাকৈ চাউলৰ মূল্য বৃদ্ধি হোৱাৰ বাতৰিটোৰ লগতে মা কামাখ্যাৰ আশীৰ্বাদ বিচাৰি অম্বুবাচী উপলক্ষে দেশ-বিদেশৰ পৰা অসংখ্য দৰ্শনাৰ্থীয়ে মন্দিৰ প্ৰাংগন ভিৰ কৰা বাতৰি আজি প্ৰকাশিত কাকতসমূহে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দেশৰ আগশাৰীৰ ক্ৰীড়া প্ৰাণকেন্দ্ৰৰূপে অসম উজলি উঠা বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰা মন্তব্য অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে। কাকতখনে ৮৪ হাজাৰ ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা বিভাগৰ সমৰ্থ পোৰ্টেলৰ জৰিয়তে নামভৰ্তি কৰাৰ বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ শপতপাঠেৰে আজিৰে পৰা আৰম্ভ হোৱা অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশনত ২৭ জুনত ৰাষ্ট্ৰপতিয়ে ভাষণ প্ৰদান কৰিব। এই বাতৰিটো প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২০২১ বৰ্ষৰ পৰা বৃত্তি পৰীক্ষা অনুষ্ঠিত নোহোৱাত ২০ হাজাৰ স্কুলীয়া শিক্ষাৰ্থী আনন্দ ৰাম বৰুৱা বৃত্তিৰ পৰা বঞ্চিত হ'ব আৰু গ্ৰীষ্মৰ প্ৰকোপ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত গ্ৰীষ্মপ্ৰবাহে মানৱ সভ্যতা ধ্বংস কৰিব বুলি বিজ্ঞানীসকলে আশংকা প্ৰকাশ কৰাৰ বাতৰিটো কাকতসমূহত স্থান পাইছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ঝাৰখণ্ডৰ বিজেপি কৰ্মকৰ্তাৰে বিধানসভাৰ ৰণনীতি ড০ হিমন্ত বিশ্ব শৰ্মাৰ, কোভিড ভেকচিনৰ বাবে হৃদৰোগত মৃত্যুৰ হাৰ বৃদ্ধিৰ দাবী চিকিৎসকলৰ, দেশত ৪০ অনুৰ্ধৰ মাজত দ্ৰুত হাৰত বৃদ্ধি পাইছে কৰ্কট ৰোগাক্ৰান্তৰ সংখ্যা, ২৬ জুনত নলবাৰীত কেবিনেট বৈঠক ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

গুৱাহাটী ক্লাৱৰ বাসিন্দা ছিপ্ৰা দাসৰ কালি বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ বয়স আছিল ৮৪ বছৰ।

০০০০০০

সমাপ্ত